**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 24-05-2025 **Time :** 07-55 Hrs.

## Assamese Morning Bulletin

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি নতুন দিল্লীত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক সাক্ষাৎ কৰি অসমৰ উন্নয়ন আৰু বিকাশকেন্দ্ৰিক বিভিন্ন বিষয়ত আলোচনা কৰে। মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ শেহতীয়া পঞ্চায়ত নিৰ্বাচনত বিজেপি মিত্ৰজোঁটে লাভ কৰা অভূতপূৰ্ণ সফলতাৰ বিষয়ে গৃহমন্ত্ৰীগৰাকীক অৱগত কৰে। ড০ শৰ্মাই মাওবাদী নিৰ্মূলৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ পদক্ষেপ তথা এইক্ষেত্ৰত লাভ কৰা বৃহৎ সফলতাৰ বাবে শ্ৰীশ্বাহক অভিনন্দন জনায়।

মুখ্যমন্ত্ৰী শৰ্মাই ইয়াৰ পাছত কেন্দ্ৰীয় ৰাসায়নিক আৰু সাৰ মন্ত্ৰী জে পি নাড্ডাক সাক্ষাৎ কৰি নামৰূপৰ ব্ৰাউন ফিল্ড এম'নিয়া ইউৰিয়া পৰিসৰৰ বাবে তৃণমূল পৰ্যায়ৰ কাম ত্বৰান্বিত কৰাৰ বাবে অনুৰোধ জনায়। উল্লেখযোগ্য যে চলিত বৰ্ষতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় মন্ত্ৰীসভাই নামৰূপ সাৰ কাৰখানাৰ নতুন গোট স্থাপনৰ বাবে ১০ হাজাৰ ৬০১ কোটি ৪০ লাখ টকাত অনুমোদন জনাইছিল। মুখ্যমন্ত্ৰী শৰ্মাই এই আলোচনাকালত ৰাজ্যৰ চিকিৎসা শিক্ষা সুবিধা বৃদ্ধি আৰু নতুন নাৰ্ছিং মহাবিদ্যালয় স্থাপনৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ সহযোগিতা কামনা কৰে। তেওঁ লগতে আয়ুষ্মান ভাৰত, প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ জৰিয়তে হিতাধিকাৰীসকলৰ সৰ্বাধিক লাভালাভ নিশ্চিত কৰিবলৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক আহ্বান জনায়।

০০০০০০০

কেন্দ্ৰীয় বন্দৰ জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি আন্তঃৰাষ্ট্ৰীয় আৰু ৰাষ্ট্ৰীয় বিনিয়োগকাৰীক উত্তৰ-পূব ভাৰতৰ অভূতপূৰ্ব বিকাশৰ সম্ভাৱনা অন্বেষণ কৰিবলৈ আহ্বান জনায়। নতুন দিল্লীত অনুষ্ঠিত **বিকশিত উত্তৰ-পূব বিনিয়োগকাৰী সন্মিলনত** অংশগ্ৰহণ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে নতুন ভাৰতৰ বুকুত আজি উত্তৰ-পূৰ্বাঞ্চল উন্নয়নশীল অঞ্চলৰূপে পৰিগণিত হৈছে। সন্মিলনখনৰ উত্তৰ-পূবৰ আন্তঃগাঁথনিৰ বাবে সম্ভাৱনীয়তা মুকলিকৰণ বিষয়ত ভাষণ দি কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী নেতৃত্বত উত্তৰ-পূৰ্বাঞ্চলত যুগান্তকাৰী পৰিৱৰ্তন সম্ভৱ হৈছে বুলি মন্তব্য কৰে। তেওঁ কয়, যে এসময়ত যিটো অঞ্চল প্ৰত্যন্ত আৰু বিচ্ছিন্ন বুলি গণ্য কৰা হৈছিল, এতিয়া এই অঞ্চলটো দেশৰ বাবে দক্ষিণ-পূব এছিয়াৰ প্ৰৱেশদ্বাৰত পৰিণত হৈছে। এই অঞ্চলটো কেৱল ভাৰতৰ বিকাশৰ এটা অংশ নহয়, ই এটা বৃহৎ অধ্যায়।

০০০০০০০

দুলিয়াজানত প্ৰতিবাদ সাব্যস্ত কৰিবলৈ যোৱা বীৰ লাচিত সেনা অসমৰ মুৰব্বী শৃংখল চলিহাক ডিব্ৰুগড় আৰক্ষীয়ে কালি নিশা মুকলি কৰি দিয়ে। ডিব্ৰুগড়ৰ অতিৰিক্ত আৰক্ষী অধীক্ষক নিৰ্মল ঘোষে জনোৱা মতে, শিৱসাগৰৰ পৰা দুলিয়াজানলৈ প্ৰতিবাদৰ বাবে গৈ থকা সময়ত কালি দুপৰীয়া শৃংখল চলিহাক আটক কৰা হৈছিল। উল্লেখযোগ্য যে ডিব্ৰুগড় জিলাৰ দুলিয়াজানৰ এটা তেলডিপোত দুটা পক্ষৰ মাজত হোৱা মাৰপিটৰ

ঘটনাক কেন্দ্ৰ কৰি কালি কেইবাটাও দল সংগঠনে দুলিয়াজান বন্ধৰ আহ্বান জনাইছিল। ১১ টা জাতীয় জনগোষ্ঠীয় সংগঠনে আহ্বান জনোৱা এই বন্ধৰ সময়ছোৱাত একাধিক বিক্ষিপ্ত ঘটনা সংঘটিত হয়। এই বন্ধৰ প্ৰতি দুলীয়াজানবাসীয়ে স্বতঃস্ফূৰ্ত সঁহাৰি জনোৱাৰ ফলত চহৰখনৰ দোকান-বজাৰ, চৰকাৰী-বেচৰকাৰী কাৰ্যালয়, যান-বাহনৰ চলাচল আদি বন্ধ হৈ পৰে। মানৱ অধিকাৰ আয়োগে সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাক আৰক্ষীয়ে হাতকেৰেয়া লগাই আদালতত হাজিৰ কৰোৱা বিষয়টো সন্দৰ্ভত দণ্ডাধীশ পৰ্যায়ৰ তদন্তৰ নিৰ্দেশ দিছে। ডিব্ৰুগড় জিলা আয়ুক্তক সবিশেষ নথি-পত্ৰসহ শীঘ্ৰে এই তদন্তৰ প্ৰতিবেদন দাখিল কৰিবলৈও নিৰ্দেশ দিয়া হৈছে। আনহাতে নিৰ্দেশনাটোত ডিব্ৰুগড় আৰক্ষী অধীক্ষকক শংকৰজ্যোতি বৰুৱাৰ বিৰুদ্ধে ৰুজু হোৱা গোচৰৰ তদন্তৰ শেহতীয়া তথ্য মানৱ অধিকাৰ আয়োগক জমা দিবলৈ কোৱা হৈছে।

০০০০০০০

কেন্দ্ৰীয় লোকসেৱা আয়োগৰ অসামৰিক সেৱাৰ প্ৰাৰম্ভিক পৰীক্ষা কাইলৈ অনুষ্ঠিত হ'ব। দেশৰ বিভিন্ন কেন্দ্ৰৰ লগতে গুৱাহাটীৰ মুঠ ২৬ টা কেন্দ্ৰত এই পৰীক্ষা অনুষ্ঠিত হ'ব। গুৱাহাটীৰ পৰীক্ষা কেন্দ্ৰসমূহত মুঠ ১০ হাজাৰ ৫৮৭ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হ'ব। পৰীক্ষাৰ পৰিপ্ৰেক্ষিতত আৰক্ষীয়ে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ অধীনত কেতবোৰ নীতি নিৰ্দেশনা জাৰি কৰিছে। সেই অনুসৰি পৰীক্ষাকেন্দ্ৰৰ এশ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত পৰীক্ষাৰ্থী, পৰীক্ষা পৰিচালনাৰ সৈতে জড়িত বিষয়া, আৰক্ষী, আৰু চৰকাৰ অথবা জিলা আয়ুক্তৰ কৰ্তৃত্বপ্ৰাপ্ত লোকৰ বাহিৰে আন লোকৰ প্ৰৱেশ নিষিদ্ধ কৰা হৈছে।

০০০০০০০

ডিব্ৰুগড় জিলা আয়ুক্ত বিক্ৰম কৈৰীয়ে কালি পানীতোলা শিক্ষা খণ্ডৰ অন্তৰ্গত চাবুৱা চাহ বাগিচা আদৰ্শ বিদ্যালয় পৰিদৰ্শন কৰি বিদ্যালয়খনৰ আন্তঃগাঁথনিৰ লগতে শৈক্ষিক পৰিবেশৰ সবিশেষ বুজ লয়। আয়ুক্তগৰাকীয়ে বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী তথা ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত বিনিময় কৰি বিদ্যালয়খনৰ সৰ্বাঙ্গীন বিকাশৰ বাবে পৰামৰ্শ আগবঢ়ায়।

০০০০০০০

খেলো ইণ্ডিয়া বীচ্ছ গেমছত অসমে এটা সোণসহ ৮ টা পদক জয়েৰে অভিযান সমাপ্ত কৰিছে। দমন আৰু দিউৰ লগতে দাদাৰা আৰু নগৰ হাবেলীত অনুষ্ঠিত উদ্বোধনী বৰ্ষৰ প্ৰতিযোগিতাখনত অসম পদক তালিকাৰ দহ নম্বৰ স্থানত আছে। উদ্বোধনী বৰ্ষৰ খেলো ইণ্ডিয়া বীচ্ছ গেমচত মুঠ ছবিধ খেল অন্তৰ্ভুক্ত কৰা হৈছে। এই তালিকাত পাঁচটা সোণসহ মুঠ ১৩ টা পদকেৰে মণিপুৰ শীৰ্ষ স্থানত আছে।

০০০০০০০

**সমাপ্ত**